জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৮৫/২০২১

**নিখিল বড়ো ছাত্ৰ সন্থা আৰু বড়ো সাহিত্য সভাৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক**

# প্ৰথম পৰ্যায়ত বিটিআৰত ২৬ খন ভেঞ্চাৰ মহাবিদ্যালয় প্ৰদেশিকীকৰণৰ কাম হাতত লোৱা হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নিখিল বড়ো ছাত্ৰ সন্থা (আবছু) আৰু বড়ো সাহিত্য সভাৰ প্ৰতিনিধিৰ সৈতে বড়ো চুক্তি অনুসৰি বিটিআৰত শৈক্ষিক খণ্ডৰ উন্নয়ন সন্দৰ্ভত এক আলোচনাত মিলিত হয়।

জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত বিটিআৰ চুক্তিৰ ৬.৩ নং দফা ক্ষিপ্ৰভাৱে ৰূপায়ণৰ বাবে সিদ্ধান্ত লোৱা হয়। প্ৰতিনিধিবৰ্গৰ অনুৰোধ অনুসৰি বৈঠকত বিটিআৰৰ ২৬ খন ভেঞ্চাৰ মহাবিদ্যালয়ক প্ৰথম পৰ্যায়ত প্ৰাদেশিকীকৰণৰ সিদ্ধান্ত লোৱা হয়। উচ্চ শিক্ষা বিভাগে মহাবিদ্যালয়সমূহৰ সাম্প্ৰতিক অৱস্থা, আন্তঃগাঁথনি, বৰ্তমানে থকা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ শিক্ষাগত অৰ্হতা, নতুন নিয়োগৰ প্ৰয়োজনীয়তা ইত্যাদি সন্দৰ্ভত পৰীক্ষা কৰি এই সন্দৰ্ভত যথাবিহিত কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব।

বৈঠকত ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ অনুসৰি বড়ো বসতিপ্ৰধান এলেকাত পৰ্যাপ্ত বড়ো ভাষাৰ শিক্ষকৰ পদ সৃষ্টি কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়। সকলোবোৰ চৰকাৰী আৰু প্ৰাদেশিকৃত মহাবিদ্যালয়ত একক কেডাৰৰ পদ সৃষ্টি কৰা হ'ব। বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ওদালগুৰিত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ এক চৌহদ স্থাপন কৰাৰ উপৰি বিটিআৰত বিজ্ঞান আৰু আইন মহাবিদ্যালয় স্থাপন কৰা হ'ব। বৈঠকত বড়ো ভাষাৰ বিশেষ টেʼট অনুষ্ঠিত কৰাৰ বাবেও সিদ্ধান্ত লোৱা হয়। আজিৰ বৈঠকত লোৱা সিদ্ধান্তসমূহৰ ৰূপায়ণৰ প্ৰক্ৰিয়াটো নিৰীক্ষণ কৰাৰ বাবে ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগ, শিক্ষা বিভাগ, নিখিল বড়ো ছাত্ৰ সন্থা আৰু বড়ো সাহিত্য সভাৰ প্ৰতিনিধিবৰ্গক সামৰি এখন পৰামৰ্শদাতা কমিটী গঠনৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। আগন্তুক ছমাহৰ ভিতৰত ৰূপায়ণৰ পৰ্যায় নিৰূপণৰ বাবে এনেধৰণৰ বৈঠক অনুষ্ঠিত কৰা হ'ব।

বৈঠকত মুখ্যমন্ত্ৰীয়ে কামৰূপ জিলাৰ বকোত অলপতে বন বিভাগৰ গুলীচালনাত আঘাতপ্ৰাপ্ত মালবিকা দৈমাৰীলৈ ৫ লাখ টকাৰ এককালীন সাহায্য প্ৰদানৰ কথাও ঘোষণা কৰাৰ লগতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষক তেওঁলৈ উন্নত চিকিৎসা প্ৰদানৰ বাবেও নিৰ্দেশ দিয়ে।

বৈঠকত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়ো, বড়ো সাহিত্য সভাৰ সভাপতি তৰেণ বড়োই অংশগ্ৰহণ কৰে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

আনহাতে মুখ্যমন্ত্ৰীয়ে আজি ‘অল আদিবাসী ষ্টুডেণ্টছ এছচিয়েশ্যন অব আসাম’ৰ প্ৰতিনিধিবৰ্গৰ সৈতেও আলোচনাত মিলিত হৈ তেওঁলোকৰ সমস্যাৰাজিৰ বুজ লয়।

**স্বাক্ষৰ / বঃভাঃ / পুঃডেঃ**
**১৯-১২-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in